No. of Printed Pages—8

8ON/83N

[19-HRPGKOW-M3S(N) 20M]

MA 3rd Semester (New) Exam., 2019 (W)

ASSAMESE

[PGAS S3–02 (Lit)]

(ভক্তি সাহিত্য)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ প্ৰশ্নসমূহৰ *এটা* বা *দুটা* বাক্যৰ ভিতৰত উত্তৰ দিয়ক : 1×8=8

(i) 'ভক্তি' শব্দটো ক'ৰ পৰা নিষ্পন্ন হৈছে ?

(ii) নিৰ্গুণ ভক্তিৰ স্তৰত সাধকে কি প্ৰত্যক্ষ কৰে ?

(iii) মহাপুৰুষীয়া ভক্তিৰ উল্লেখযোগ্য বৈশিষ্ট্য কি ?

(iv) মহাপুৰুষীয়া ধৰ্মসাধন মাৰ্গৰ এবিধ প্ৰধান বস্তু কি ?

(v) বেদ কেইখন আৰু কি কি ?

(vi) বেদত শিৱক কি কি ৰূপে আখ্যা দিয়া হয় ?

(vii) বেদান্ত দৰ্শনৰ মূল ভিত্তি কি ?

(viii) শংকৰদেৱৰ লেখনিসমূহৰ আধাৰগ্ৰন্থ কি ?

(b) শুদ্ধ উত্তৰটো নিৰ্বাচন কৰক : 1×4=4

(i) 'বীজক'ত কাৰ বাণী সন্নিৱিষ্ট হৈছে ?

1. সুৰদাস
2. কবীৰদাস
3. গুৰু নানক
4. হৰিদাস

(ii) 'চৈতন্যচৰিতামৃত' এখন

1. জীৱনী
2. আত্মজীৱনী
3. বুৰঞ্জী
4. ধৰ্মতত্ত্বমূলক গ্ৰন্থ

(iii) 'পদ্মাপুৰাণ'ৰ ৰচক

1. মনকৰ
2. সুকবি নাৰায়ণদেৱ
3. দুৰ্গাবৰ
4. পীতাম্বৰ দ্বিজ

(iv) 'শিৱপুৰাণ'ৰ ৰচক

1. শিৱ সিংহ
2. গদাধৰ সিংহ
3. লক্ষ্মী সিংহ
4. ৰুদ্ৰ সিংহ

(c) খালী ঠাঁই পূৰ কৰক : 1×4=4

(i) _____ ভক্তিধাৰাক ৰাম ভক্তিধাৰা আৰু কৃষ্ণ ভক্তিধাৰা এই দুটা ভাগত ভগাব পাৰি।

(ii) _____ সময়ৰে পৰা ভাৰতীয় সাহিত্যত কৃষ্ণকাব্যৰ সূচনা হয়।

(iii) নিম্বাক সম্প্ৰদায়ত _____ উপাসনাৰ বিধান প্ৰচলিত।

(iv) শংকৰদেৱ এগৰাকী _____ পুৰুষ আছিল।

(Continued)

2. তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমুকৈ উত্তৰ দিয়ক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'কীৰ্ত্তন ঘোষা'ত সৰ্বমুঠ কেইটা খণ্ড আছে? প্ৰতিটো খণ্ডৰ নাম উল্লেখ কৰক।

(b) 'কীৰ্ত্তন'ৰ পদসমূহৰ মূল কি?

(c) 'নাম ঘোষা'ৰ আধাৰগ্ৰন্থ কি?

(d) 'নাম ঘোষা'ত নিন্দাৰ তাৎপৰ্য কি?

(e) ভট্টদেৱৰ 'কথা-ভাগৱত'ত প্ৰত্যক্ষ আৰু পৰোক্ষ উক্তিৰ প্ৰয়োগ সম্পৰ্কে লিখক।

(f) 'কথা-ভাগৱত'ৰ ৰচনাৰীতি সংস্কৃতীয়া হোৱাত ই কি গুণ সাধন কৰিছে?

3. তলৰ যি কোনো চাৰিটা প্ৰশ্ন চমুকৈ বুজাই লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'কথা-ভাগৱত'ত প্ৰকাশিত ভক্তিতত্ত্বৰ বিষয়ে এটি চমু আলোচনা আগবঢ়াওক।

(b) 'কথা-ভাগৱত'ৰ দ্বিতীয় অধ্যায়ৰ বিষয়বস্তু কি?

(c) অসমীয়া 'ৰামায়ণ পৰম্পৰা'ত অনন্ত কন্দলীৰ স্থান কি?

(d) 'গীতি-ৰামায়ণ'ত কবি দুৰ্গাবৰ কায়স্থৰ দৃষ্টিভঙ্গী কিদৰে প্ৰকাশ পাইছে?

(e) অসমীয়া শাক্ত সাহিত্যৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

4. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়ক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) নিৰ্গুণ ভক্তিৰ স্বৰূপ সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

(b) অসমত থলুৱা জনজাতিসমূহৰ মাজত শৈৱভক্তি আৰু শাক্তভক্তি কিদৰে প্ৰৱাহিত হৈ আছে, বৰ্ণনা কৰক।

(c) শাক্তভক্তি সাহিত্য বুলিলে কি বুজে? মনসাকাব্য আৰু চণ্ডীকাব্যৰ আধাৰত বিচাৰ কৰক।

(d) অসমীয়া ভক্তি সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

5. তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়ক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) 'কীৰ্ত্তন ঘোষা'ৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটি প্ৰৱন্ধ যুগুত কৰক।

(b) 'অজামিল উপাখ্যান' আৰু 'বলিছলন' খণ্ড দুটিৰ মাজেৰে মহাপুৰুষ শংকৰদেৱৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি প্ৰৱন্ধ যুগুত কৰক।

(c) 'নাম ঘোষা'ত বৰ্ণিত গুৰু-দেৱ-নাম-ভকতৰ তাত্ত্বিক বিচাৰ দাঙি ধৰক।

(d) 'নাম ঘোষা' গ্ৰন্থৰ 'উপদেশ' শীৰ্ষক অধ্যায়ত অন্তৰ্ভুক্ত ঘোষাৰ উদ্ধৃতি দি মাধৱদেৱৰ বক্তব্য বিচাৰ কৰক।

★★★